# ভাৰতীয় ৰিজাৰ্ভ বেংক

## (অনা বেঙ্কিং পৰ্য্যবেক্ষণ বিভাগ, গুৱাহাটী)

## - ধনীৰাম হাজৰিকাই ধন হেৰুৱালে -

গুৱাহাটী মহানগৰীত ক্ষুদ্ৰ ব্যৱসায়েৰে জীৱন নিৰ্বাহ কৰা শ্ৰীধনীৰাম হাজৰিকাৰ আজি পৃথিৱীখন কঁপি উঠা যেন অনুভৱ হ'ল। এজন বুদ্ধিমান ব্যৱসায়ী হিচাপে যথোপযুক্ত সতৰ্কতা আৰু সাৱধানতা নোলোৱাকৈ ধন বিনিয়োগ কৰোঁতে তেওঁ যে ঠগ খাইছে - সেইটো আজি উপলব্ধি কৰিলে।

এবছৰৰ আগতে বেংকসমূহে দিয়া সুদতকৈ অধিক আয় দিয়াৰ প্ৰতিশ্ৰুতি দিয়া আৰু নতুনকৈ গঠিত হোৱা এটা কোম্পানীত তেওঁ দহ লাখ টকা বিনিয়োগ কৰিছিল (সেই টকাখিনি তেওঁ ছোৱালীৰ বিয়াৰ বাবে আঁচুতীয়াকৈ জমা কৰি ৰাখিছিল)। যিদিনাখন তেওঁ প্ৰথম সেই কোম্পানীটোলৈ গৈছিল তেতিয়া পৰিচালকজনে নিজেই আগভাগ লৈ তেওঁক অতি উষ্ণ সম্ভাষণ জনাইছিল। সেই কোম্পানীটোৱে তেওঁৰ ওচৰৰ আন এটা কোম্পানীয়ে দিয়া সকলো ধৰণৰ সা-সুবিধা দিয়াৰ আশ্বাস দিছিল। অধিক হাৰৰ লাভ কৰাৰ আশাত তেওঁ ইমানেই উৎসাহিত হৈ পৰিছিল যে কোনো আগ-পিছ নাভাবি সমুদায় সাঁচতীয়া ধনখিনি সেই কোম্পানীটোত জমা কৰি দিছিল। কিন্তু আজি তেওঁৰ বিশ্বাস ভঙ্গ হ'ল।

**নিজৰ কষ্টোপাৰ্জিত ধনৰ ওপৰত নজৰ ৰাখক**

এবছৰৰ পিছত জমা ধন উলিয়াবলৈ শ্ৰীহাজৰিকা যেতিয়া কোম্পানীটোলৈ গ'ল তেতিয়া তেওঁ দেখি আচৰিত হ'ল যে কোনো ধৰণৰ আগতীয়া জাননী নিদিয়াকৈ সেই কোম্পানীটোৱে সেই ঠাইৰ পৰা কাৰ্যালয়টো উঠাই লৈ গৈছে। বহু বিচাৰ-খোচাৰ কৰাৰ অন্তত শ্ৰীহাজৰিকাই সেই কাৰ্যালয় থকা ঘৰটোৰ মালিকৰ লগত যোগাযোগ কৰিবলৈ সমৰ্থ হ'ল আৰু তেওঁ গম পালে যে কোম্পানীটোৱে তেওঁৰ পৰা ভাৰাত লোৱা ঘৰটো এৰি দি ক'ৰবালৈ গুচি গৈছে। কিন্তু তেওঁলোক গ'ল কলৈ?

তেওঁ ঠগ খোৱা যেন অনুভৱ কৰিলে আৰু এনে অৱস্থাত কি কৰিব তাকে ভাবি-গুণি একো উৱাদিহ নোপোৱা হ'ল। তেওঁ সমস্ত কষ্টোপাৰ্জিত ধন হেৰুৱালে নেকি? আগতে কেইবাদিনো তেওঁ কোনো কোনো লোকে কিছুমান নজনা-নুশুনা কোম্পানীত ধন বিনিয়োগ কৰি লুণ্ঠিত হোৱাৰ খবৰ বাতৰি কাকতত পঢ়িছে। হাজৰিকাই নিজকে বৰ বুধিয়ক লোক বুলি ভাবি আছিল আৰু তেওঁৰ ক্ষেত্ৰত তেনে নহ'ব বুলি গভীৰভাৱে বিশ্বাস কৰিছিল। কিন্তু আজি তেওঁৰ কি দশা হ'ল!

সেইদিনাই আবেলি তেওঁ পুৰণি বন্ধু মঃ হাচিম আলি ৰহমানৰ কাষ পালেগৈ। ৰহমানে ভাৰতীয় ৰিজাৰ্ভ বেংকত চাকৰি কৰিছিল। শ্ৰীহাজৰিকাৰ ধাৰণা আছিল যে যিকোনো কোম্পানীত জমা ৰখা ধনৰ ক্ষেত্ৰত জমাকাৰীৰ বাবে ভাৰতীয় ৰিজাৰ্ভ বেংকৰ সম্পূৰ্ণ সুৰক্ষাৰ দায়বদ্ধতা থাকে আৰু সেয়েহে ৰহমান চাহাবক তেওঁ এতিয়া সন্মুখীন হোৱা পৰিস্থিতিত ৰিজাৰ্ভ বেংকত কেনেদৰে অভিযোগ দাখিল কৰিব লাগে সেই বিষয়ে সুধিলে। শ্ৰীহাজৰিকাই আদিৰে পৰা ঘটনাটোৰ বিষয়ে তেওঁৰ বন্ধু ৰহমান চাহাবক বিৱৰি ক'লে আৰু কিদৰে তেওঁৰ হেৰোৱা ধনখিনি ওভতাই পাব পাৰে তাৰে পৰামৰ্শ বিচাৰিলে।

**ৰহমান ঃ** হাজৰিকা, মই আপোনাৰ ধন হেৰোৱাৰ কথা শুনি অতিশয় দুঃখিত। মই প্ৰায়েই আপোনাক ধন বিনিয়োগ কৰোঁতে সাৱধান হ'বলৈ সকীয়াই দি আহিছিলো, কিন্তু আপুনি মোৰ কথা ক'ত শুনিব! এতিয়া বাৰু কওঁকচোন, আপুনি পুলিচ-থানাত অভিযোগ (এফ. আই. আৰ.) দাখিল কৰিছেনে?

**হাজৰিকা ঃ** পুলিচ-থানাত আকৌ অভিযোগ কেলেই? মই সেইটো কিয় কৰিব লাগে? মই কেৱল সোনকালে ভাৰতীয় ৰিজাৰ্ভ বেংকত অভিযোগ দাখিল কৰিম।

**ৰহমান ঃ** নহয় হাজৰিকা, আপুনি যেতিয়া ঠগ-বাজিৰ কৱলত পৰিছে, প্ৰথমতে আৰক্ষীৰ কাষ চাপি অভিযোগ দাখিল কৰক।

**হাজৰিকা ঃ** আৰু ভাৰতীয় ৰিজাৰ্ভ বেংকত?

**ৰহমান ঃ** চাওঁক, ভাৰতীয় ৰিজাৰ্ভ বেংকে কেৱল অনা বেঙ্কিং বিত্তীয় কোম্পানী (এন. বি. এফ. চি.) হিচাপে পঞ্জীয়নভুক্ত হোৱা কোম্পানীসমূহৰ লগতহে সম্বন্ধ ৰাখে।

**হাজৰিকা ঃ** ক্ষমা কৰিব ৰহমান চাহাব, ভাৰতীয় ৰিজাৰ্ভ বেঙ্কত "পঞ্জীয়নভুক্ত কোম্পানী" মানেনো কি ? সকলো ধৰণৰ জমাধন ভাৰতীয় ৰিজাৰ্ভ বেঙ্কৰ দ্বাৰা বীমাকৃত কৰা নহয় নেকি ? মই কিন্তু মোৰ হেৰোৱা ধনখিনি ৰিজাৰ্ভ বেঙ্কৰ পৰা ঘূৰাই পাবই লাগিব।

**ৰহমান ঃ** হাজৰিকা, আপুনি বুজিবলৈ চেষ্টা কৰক, কোম্পানীসমূহত জমা ৰখা ধনৰ ওপৰত ৰিজাৰ্ভ বেঙ্কে কোনো ধৰণৰ বীমা নকৰে। এক নিৰ্দিষ্ট পৰিমাণলৈ কেৱল বেঙ্কসমূহত জমা ৰখা ধনৰাশিৰ ওপৰতহে নিক্ষেপ বীমা ও প্ৰত্যয় গেৰাণ্টি নিগমৰ (Deposit Insurance & Credit Guarantee Corporation, (DICGC) দ্বাৰা বীমা কৰা হয়। বেঙ্কৰ বাহিৰে আন কোনো সংস্থাত জমা ৰখা ধনৰ ওপৰত কোনো ধৰণৰ বীমা কৰা নাথাকে। আনকি অনা বেঙ্কিং বিত্তীয় কোম্পানী হিচাপে পঞ্জীয়নভুক্ত কোম্পানীসমূহো (DICGC)ৰ আচঁনিৰ ভিতৰত নপৰে।

*অনা বেঙ্কিং বিত্তীয় কোম্পানী হৈছে ভাৰতীয় ৰিজাৰ্ভ বেঙ্কত পঞ্জীয়নভুক্ত আৰু ঋণ, আগধন আদি প্ৰদান কৰা কোম্পানীসমূহ*

**হাজৰিকা ঃ** কিন্তু কোনোবাই (কোম্পানীয়ে) যদি ধন জমা লয়, তেতিয়া ই বেঙ্কৰ শাৰীত নপৰিব নেকি ?

**ৰহমান ঃ** নাই, নপৰে। মই আপোনাক বুজাইছোঁ। আমাৰ মাজত ৰাইজৰ পৰা জমা গ্ৰহণ কৰা বহুতো সংস্থা আছে। ইয়াৰ মাজৰে এটা হ'ল বেঙ্ক, যেনে - বাণিজ্যিক বেঙ্ক আৰু সমবায় বেঙ্ক। তদুপৰি অনা বেঙ্কিং বিত্তীয় কোম্পানীসমূহ ( এন. বি. এফ. চি.) আছে, যি ৰাইজৰ পৰা ধন জমা লোৱা, ঋণ প্ৰদান কৰা, অংশ-পত্ৰৰ বিনিয়োগ আৰু প্ৰতিভূতি (securities) আদিৰ ব্যৱসায় কৰাৰ আগেয়ে ভাৰতীয় ৰিজাৰ্ভ বেঙ্কত পঞ্জীয়নভুক্ত হোৱাতো বাধ্যতামূলক। এই কোম্পানীসমূহৰ সৰহখিনিৰেই কিন্তু ৰাইজৰ পৰা ধন জমা গ্ৰহণ কৰাৰ কোনো অনুমতি নাই। এই জমাৰাশিবোৰ বীমাকৃতও নহয়।

*সকলো অনা বেঙ্কিং বিত্তীয় কোম্পানীৰ ধন জমা লোৱাৰ অনুমতি নাই । অনা বেঙ্কিং বিত্তীয় কোম্পানীত জমা ৰখা ধন বীমাকৃত নহয় ।*

**হাজৰিকাঃ** ইস্! এইবোৰৰ বিষয়ে মই একো গম পোৱা নাছিলো। কিন্তু যিটো কোম্পানীলৈ মই গৈছিলো সেইটো পঞ্জীয়নভুক্ত অনা বেঙ্কিং বিত্তীয় কোম্পানী (এন. বি. এফ. চি.) আছিলনে নাই সেই বিষয়ে কেনেকৈ জানিম ?

**ৰহমান ঃ** পৰিচালকজনে আপোনাক কোনো ধৰণৰ ৰচিদ দিছিল নেকি ?

**হাজৰিকা ঃ** হয় দিছিল, এইখন চাওঁক।

**ৰহমান ঃ** এই ৰচিদ খনত মেচাৰ্চ ৰাজেশ এণ্ড কোম্পানী আৰু বন্ধনীৰ ভিতৰত এটা ব্যৱসায়িক সংস্থা (a firm] বুলি লিখা আছে। আপুনি বাৰু স্বাক্ষৰ কৰাৰ সময়ত এইটো কথা লক্ষ্য কৰিছিলনে ?

**হাজৰিকা ঃ** হয়, মেচাৰ্চ ৰাজেশ এণ্ড কোম্পানী বুলি লিখা কথাখিনি লক্ষ্য কৰিছিলো, কিন্তু এই ব্যৱসায়িক সংস্থা (a firm) মানেনো কি ?

**ৰহমান ঃ** ব্যৱসায়িক সংস্থা কোম্পানীসমূহৰ দৰে নহয়, ই হ'ল এটা অ-

নিগমিত সংগঠন। সংস্থাগত সাংগঠনিক গোট বহুতো আছে। এটা কোম্পানীক, কোম্পানী আইন, ১৯৫৬ চনৰঅধীনতকোম্পানীসমূহৰ পঞ্জীয়কে পঞ্জীকৃত কৰে (এইদৰে ই এটা নিগম)। আনহাতে এটা ব্যৱসায়িক সংস্থা কোম্পানী আইন, ১৯৫৬ চনৰ অধীনত পঞ্জীয়নভুক্ত নহয়। ই স্বত্বাধিকাৰী (ব্যক্তিগত) অথবা অংশীদাৰী (দুজন বা ততোধিক ব্যক্তিৰ) ব্যৱসায়িক প্ৰতিষ্ঠানো হ'ব পাৰে। আনহাতে এখন সমবায় সমিতিক সংশ্লিষ্ট ৰাজ্যিক অথবা কেন্দ্ৰীয় সমবায় সমিতি সমূহৰ পঞ্জীয়কৰ দ্বাৰা ৰাজ্যস্তৰীয় বা বহু-ৰাজ্যিক সমবায় সমিতি আইনৰ আধাৰত পঞ্জীকৃত কৰা হয়।

**হাজৰিকা ঃ** হয় নেকি? মই আকৌ ভাবিছিলো দুয়োবিধ একেই। তেনেহ'লে ব্যক্তিগত (private) আৰু ৰাজহুৱা (public )কোম্পানীৰ মাজতো পাৰ্থক্য আছে নেকি?

**ৰহমান ঃ** ব্যক্তিগত কোম্পানীৰ অংশসমূহ হস্তান্তৰকৰণত বাধা-নিষেধ আৰোপ কৰা থাকে, অংশীদাৰৰ সংখ্যা ৫০ (পঞ্চাশ) জনতকৈ অধিক হ'ব নোৱাৰে আৰু জনসাধাৰণৰ পৰা কোনো ধৰণৰ জমা (deposite) গ্ৰহণ কৰিব নোৱাৰে। এই কোম্পানী বিলাকৰ ৰাজহুৱা- মালিকীস্বত্ব নাথাকে। ৰাজহুৱা কোম্পানী হৈছে সেইবিলাক কোম্পানী - যি বিলাক কোম্পানী ব্যক্তিগত কোম্পানীৰ শাৰীত নপৰে। এই কোম্পানীবিলাকৰ নূন্যতম প্ৰদত্ত - মূলধন (paid-up capital) ৫ (পাঁচ) লাখ টকা হ'ব লাগিব। যদি এটা ব্যক্তিগত কোম্পানীয়ে আন এটা ৰাজহুৱা কোম্পানীৰ নিয়ন্ত্ৰিত সহ-কোম্পানী (subsidiary) হিচাপে কাৰ্য সম্পাদন কৰে, তেনেস্থলত তাকো কোম্পানী বুলি ধৰি লোৱা হয়। ৰাজহুৱা কোম্পানীৰ অংশ-পত্ৰ শ্বেয়াৰ বজাৰত (stock exchange) সূচী-বদ্ধ হ'বও পাৰে, নহ'বও পাৰে।

**হাজৰিকা ঃ** আপুনি যে ক'লে - ৰাজহুৱা -মালিকীস্বত্ব, সেইটোনো আকৌ কি?

**ৰহমান ঃ** ৰাজহুৱা- মালিকীস্বত্ব মানে মই ক'বলৈ বিচাৰিছোঁ যে কোম্পানীৰ অংশ-পত্ৰসমূহ জনসাধাৰণক, যেনে - আপোনাক বা মোক আবণ্টন দিয়ে। এই আবণ্টনসমূহ ব্যক্তিগত স্তৰৰ ক্ষেত্ৰত (মানে কিছু কিছু নিৰ্বাচিত ব্যক্তিৰ মাজত) অথবা ৰাজহুৱা নিবেশৰ দ্বাৰা বিনিয়োগকাৰীৰ মাজত ( মানে শ্বেয়াৰ বজাৰৰ যোগেদি অংশ-পত্ৰ বিক্ৰী কৰি ) কৰা হয়। যদি অংশ-পত্ৰ ৰাজহুৱা নিবেশৰ দ্বাৰা জাৰী কৰা হয়, তেনেস্থলত ইয়াক শ্বেয়াৰ বজাৰত অৰ্থাৎ ষ্টক্ এক্-চেঞ্জত ব্যৱসায়ৰ বাবে সূচী-বদ্ধ কৰা হয়।

**হাজৰিকা ঃ** এই বিলাকে জমাকাৰী সকলক কেনে ধৰণেৰে প্ৰভাৱান্বিত কৰে?

**ব্যৱসায়িক সংস্থা আৰু কোম্পানী একে নহয়**

**ৰহমান ঃ** যদিহে জমাকৰ্ত্তা সকল ধন জমা লোৱা সংস্থাবোৰৰ স্থিতি আৰু জমা গ্ৰহণ কৰা আইনগত সীমাবদ্ধতাৰ প্ৰতি সজাগ হয়, তেনেস্থলত জমাকাৰী সকলে বিতং তথ্যৰে সঠিক সিদ্ধান্ত ল'ব পাৰে। আপোনাৰ ক্ষেত্ৰত, আপুনি যদি মেচাৰ্চ ৰাজেশ এণ্ড কোম্পানীটো এটা ব্যৱসায়িক সংস্থা আৰু ই অংশীদাৰীৰ সম্বন্ধীয় লোকৰ বাহিৰে আন কাৰো পৰা কোনো ধৰণৰ জমা গ্ৰহণ কৰিব নোৱাৰে বুলি গম পালেহেঁতেন, তেনে ক্ষেত্ৰত মই নিশ্চয়কৈ ক'ব পাৰো যে আপুনি তাত কেতিয়াও ধন জমা নথলেহেঁতেন।

মই ইতিমধ্যে কৈ আহিছোঁৱেই যে ব্যক্তিগত কোম্পানীসমূহে জনসাধাৰণৰ পৰা কোনো ধৰণৰ জমা গ্ৰহণ কৰিব নোৱাৰে। আনকি বিত্তীয় অনুষ্ঠান হিচাপে ব্যৱসায় নকৰা ৰাজহুৱা কোম্পানীসমূহেও তেওঁলোকৰ প্ৰদত্ত মূলধন আৰু পুঁজিৰ আৰক্ষিত ২৫% ত কৈ অধিক জমা জনাসাধাৰণৰ পৰা গ্ৰহণ কৰিব নোৱাৰে। অনা বেঙ্কিং বিত্তীয় কোম্পানীসমূহে (এন. বি. এফ. চি.) ভাৰতীয় ৰিজাৰ্ভ বেঙ্কৰ দ্বাৰা জাৰী কৰা পঞ্জীয়ন প্ৰমাণ-পত্ৰ আৰু জমা গ্ৰহণ কৰাৰ অনুমতি পালেহে ধন জমা ল'ব পাৰে। আনকি এই ক্ষেত্ৰত ভাৰতীয় ৰিজাৰ্ভ বেঙ্কে বিভিন্ন শ্ৰেণীৰ অনা বেঙ্কিং বিত্তীয় কোম্পানীৰ ক্ষেত্ৰত নিৰ্দ্ধাৰণ কৰি দিয়া জমা গ্ৰহণৰ সীমাও অতিক্ৰম কৰিব নোৱাৰে। সচেতন জমাকৰ্ত্তাই এইদৰে ধন জমা লোৱা কোনো সংস্থাৰ জমা গ্ৰহণ কৰাৰ ৰেহ-ৰূপ প্ৰত্যক্ষ কৰিহে ধন বিনিয়োগ কৰে আৰু বিচক্ষণতাৰ পৰিচয় দিয়ে। মই এইটো ঠিকেই ধৰিব পাৰিছোঁ যে, কোম্পানীৰ প্ৰদত্ত-মূলধন, আৰক্ষিত পুঁজি, অনা বেঙ্কিং বিত্তীয় কোম্পানীৰ ক্ষেত্ৰত ভাৰতীয় ৰিজাৰ্ভ বেঙ্কে নিৰ্দ্ধাৰণ কৰি দিয়া জমা গ্ৰহণৰ পৰিসীমা - এই কথাবোৰ বুজিবলৈ আপুনি কিছু কঠিন পাব। কিন্তু এজন জমাকৰ্ত্তা যদি এই বাধা-নিষেধসমূহৰ বিষয়ে জ্ঞাত হয়, তেন্তে ধন জমা কৰাৰ আগেয়ে কোম্পানীক প্ৰয়োজনীয় প্ৰশ্নখিনি সুধি সকলো তথ্য সংগ্ৰহ

কৰি ল'ব পাৰে।

**হাজৰিকা ঃ** আমি পৰিসীমিত (limited) কোম্পানীৰ বিষয়েও শুনিছো। সেইটো কি ?

**ৰহমান ঃ** পৰিসীমিত কোম্পানীত অংশীদাৰী সকলৰ কোম্পানীৰ ঋণ-দায়িত্ব কেৱল অংশ ধাৰণ কৰা ৰাশিলৈকে সীমাবদ্ধ থাকে। তাৰ অৰ্থ হ'ল অংশীদাৰী সকলৰ ব্যক্তিগত সা-সম্পত্তি কোম্পানীৰ ঋণ পৰিশোধৰ ক্ষেত্ৰত ব্যৱহাৰ কৰিব নোৱাৰি।

**হাজৰিকা ঃ** হয় নেকি ! তাৰ মানে বেলেগ বেলেগ সংস্থা থকাৰ দৰে বেলেগ বেলেগ নিয়ন্ত্ৰকো আছে। তেনেহ'লে অনা বেঙ্কিং বিত্তীয় কোম্পানী হ'ল - এটা কোম্পানী ?

**ৰহমান ঃ** হয়, মই আগেয়ে কৈ আহিছোঁ যে, এন. বি. এফ. চি. (অনা বেঙ্কিং বিত্তীয় কোম্পানী) হ'ল ভাৰতীয় ৰিজাৰ্ভ বেঙ্কৰ পৰা পঞ্জীয়ন প্ৰমাণ-পত্ৰ লাভ কৰাৰ পিছত ঋণ দিয়া আৰু অগ্ৰিম প্ৰদান কৰা, ভাৰা-ক্ৰয় (hire-purchase), মহলদাৰী (leasing) অংশ-পত্ৰৰ বজাৰ (share market), বিনিয়োগ (investment) আদি ব্যৱসায়ৰ লগত জড়িত এক প্ৰকাৰৰ বিত্তীয় অনুষ্ঠান।

**ভাৰতীয় ৰিজাৰ্ভ বেঙ্কৰ পৰা কোম্পানীৰ পঞ্জীয়ন সম্পৰ্কে জানি লওঁক**

**হাজৰিকা ঃ** তেওঁলোকে ৰাজহুৱা ধন জমা ল'ব পাৰে নে ?

**ৰহমান ঃ** হয় পাৰে, যদিহে ৰিজাৰ্ভ বেঙ্কে ইয়াৰ বাবে অনুমতি প্ৰদান কৰে।

**হাজৰিকা ঃ** কিন্তু এজন সাধাৰণ নাগৰিকে ইয়াৰ বিষয়ে কেনেকৈ জানিব ?

**ৰহমান ঃ** ভাৰতীয় ৰিজাৰ্ভ বেঙ্কৰ দ্বাৰা অনা বেঙ্কিং বিত্তীয় কোম্পানীক (এন. বি. এফ. চি.) দিয়া পঞ্জীয়ন প্ৰমাণ পত্ৰত এই কথা স্পষ্টকৈ লিখা থাকে। কোম্পানীসমূহে নিজ কাৰ্য্যালয়ত পঞ্জীয়ন প্ৰমাণ পত্ৰৰ প্ৰতিলিপি প্ৰদৰ্শন কৰিব লাগে। ধন জমা গ্ৰহণ কৰিব পৰা পঞ্জীয়নভুক্ত অনা বেঙ্কিং কোম্পানীসমূহৰ তালিকা ভাৰতীয় ৰিজাৰ্ভ বেঙ্কৰ ৱে'ব্-ছাইটত চাব পাৰি। লগতে আপোনাক মই কৈ থওঁ যে, ভাৰতীয় ৰিজাৰ্ভ বেঙ্কে কোম্পানীসমূহৰ দ্বাৰা পুনৰ্ভুক্তানৰ (repayment) ওপৰত কোনো ধৰণৰ নিশ্চয়তা প্ৰদান নকৰে বা ইয়াৰ বিত্তীয় স্থিতি নাইবা কোম্পানীৰ ফালৰ পৰা দিয়া বিবৃতি/নিবেদনৰ (statement/representation) শুদ্ধতা সম্পৰ্কে কোনো ধৰণৰ প্ৰমাণ পত্ৰ কাকো নিদিয়ে।

**হাজৰিকা ঃ** বাৰু ৰহমান চাহাব, মেচাৰ্চ ৰাজেশ এণ্ড কোম্পানীটো ভাৰতীয় ৰিজাৰ্ভ বেঙ্কত পঞ্জীয়নভুক্ত কোম্পানী আছিল নে নাই ? তেওঁলোকৰ জনসাধাৰণৰ পৰা জমা গ্ৰহণ কৰাৰ অনুমতি আছিলনে ? তেওঁলোকে মোক বছৰি ২০% হাৰত সুদ দিয়াৰ প্ৰতিশ্ৰুতি দিছিল। এনেকুৱা উচ্চ হাৰৰ সুদ দিবলৈ বিচৰা কোম্পানীটো নিশ্চয় এটা ভাল কোম্পানীয়েই হ'ব, নহয় জানো ?

**ৰহমান ঃ** মেচাৰ্চ ৰাজেশ এণ্ড কোম্পানীটো, যাৰ ৰচিদ আপুনি মোক দেখুৱাইছে, ই হৈছে এটা ব্যৱসায়িক সংস্থা আৰু ভাৰতীয় ৰিজাৰ্ভ বেঙ্কে এনে ধৰণৰ সংস্থাক কোনো প্ৰমাণ-পত্ৰ নিদিয়ে। তেওঁলোকে ক'তো জমা বিচাৰি কোনো ধৰণৰ বিজ্ঞাপন দিব নোৱাৰে। তদুপৰি, আপুনি কৈছে যে, তেওঁলোকে বছৰি ২০%হাৰত সুদ দিবলৈ বিচাৰিছিল। আপোনাক মই স্পষ্টকৈ কওঁ যে ভাৰতীয় ৰিজাৰ্ভ বেঙ্কত পঞ্জীয়নভুক্ত বিত্তীয় কোম্পানীসমূহে বছৰি ১২.৫%অধিক হাৰত সুদ দিব নোৱাৰে।

**হাজৰিকা ঃ** কিন্তু বন্ধু, পঞ্জীয়নভুক্ত নোহোৱাকৈ এই কোম্পানীটোৱে কেনেকৈ ধন জমা ল'বলৈ সুবিধা পালে ?

**ৰহমান ঃ** এৰা, এয়া সচাঁকৈ আইন উলংঘন কৰা কাৰ্য আৰু সেই বাবেই ভাৰতীয় ৰিজাৰ্ভ বেঙ্কে বিজ্ঞাপনৰ যোগেদি সদায় ৰাইজক ধন বিনিয়োগ কৰোঁতে আৰু টকা দিয়াৰ আগেয়ে কোম্পানীসমূহৰ বিশ্বাসযোগ্যতা সম্পৰ্কে জানি ল'বলৈ আহ্বান জনাই আহিছে। এতিয়া দেখিলেনে, অলপমান ওপৰঞ্চি সুদ পোৱাৰ আশাত আপুনি এনেকুৱা এটা কোম্পানীত ধন জমা দিলে যাৰ আজি কোনো শুং-সূত্ৰই নাই !

আন এটা কথাও মনত ৰাখিব, যদি কোনো কোম্পানীয়ে ২০ শতাংশ হাৰত সুদ দিবলৈ বিচাৰে, তেনেহ'লে তাতকৈ অধিক হাৰত কোম্পানীটোৱে উপাৰ্জন কৰিব লাগিব যিটো অতি গধুৰ দায়িত্বপূৰ্ণ কৰ্মৰ পৰাহে হয়তো সম্ভৱ হ'ব পাৰে। ইয়াত আপোনাৰ বিনিয়োগৰ ধন সুৰক্ষিত নহ'বও পাৰে।

**হাজৰিকা ঃ** হয়, ভুলটো বুজিছোঁ, কিন্তু এতিয়া মই কি কৰিম ?

**ৰহমান ঃ** ঠিক আছে, মই এতিয়া আপোনাক বা আন বিনিয়োগকাৰী সকলক এনে হ'লে কি কি বিকল্প পথ আছে তাকে কওঁ। যিহেতু আপুনি ধন খটুওঁৱা প্ৰতিষ্ঠানটো এটা ব্যৱসায়িক সংস্থা (a firm), তেনেস্থলত আপুনি অৰ্থনৈতিক অপৰাধ শাখা থকা পুলিচ থানাত এটা গোচৰ ৰুজু কৰক। তেওঁলোকৰ **" দি আচাম প্ৰটেকচন্ অৱ্ ইন্টাৰেষ্ট অৱ ডিপোজিটৰচ্ (ইন ফিনান্সিয়েল এস্টাব্লিচমেন্ট, 2000) এক্ট"** ৰ অধীনত ব্যৱস্থা লোৱাৰ ক্ষমতা আছে। যদি আপুনি ভাৰতীয় ৰিজাৰ্ভ বেঙ্কৰ ওচৰত অভিযোগ দাখিল কৰে, তেন্তে ৰিজাৰ্ভ বেঙ্কে যথোপযুক্ত কাৰ্য-ব্যৱস্থাৰ বাবে সেইখন পুলিচ থানাৰ অৰ্থনৈতিক অপৰাধ শাখালৈ প্ৰেৰণ কৰিব।

**হাজৰিকা ঃ** অহ ! মই ধন ঘূৰাই পাবলৈ সমৰ্থ হ'ম নে ?

**ৰহমান ঃ** অৰ্থনৈতিক অপৰাধ শাখাই অনুসন্ধান কৰি প্ৰথমতে আপুনি ধন দিয়া সেই ব্যৱসায়িক সংস্থাটোৰ আচল মালিকক বিচাৰি উলিয়াব লাগিব।

**হাজৰিকা ঃ** তাৰ মানে আপুনি ক'বলৈ বিচাৰিছে যে, যদিহে বিনিয়োগকাৰীক কোম্পানীয়ে ধন ঘূৰাই নিদিয়ে তেতিয়া পুলিচৰ অৰ্থনৈতিক অপৰাধ শাখাই তদন্ত কৰিব লাগিব ?

**ৰহমানঃ** অন্য পথো খোলা আছে। অনা বেঙ্কিং বিত্তীয় কোম্পানীৰ ক্ষেত্ৰত, যদি তেওঁলোকে ধন ঘূৰাই দিবলৈ অপাৰগ হয় তেতিয়া বিনিয়োগকাৰীয়ে কোম্পানী আইন ব'ৰ্ডৰ ওচৰলৈ গৈ অভিযোগ দিব পাৰে। কোম্পানীসমূহে ধন জমা লোৱা আবেদন প্ৰ-পত্ৰত কোম্পানী আইন ব'ৰ্ডসমূহৰ ঠিকনা দিয়াতো নিয়ম। ঠিকনাসমূহ ভাৰতীয় ৰিজাৰ্ভ বেঙ্কৰ কাৰ্যালয় আৰু ৱেব্-ছাইটতো উপলব্ধ আছে। জমা ধন ঘূৰাই পাবলৈ আপুনি ৰাজ্যিক গ্ৰাহক সুৰক্ষা সংস্থাৰ ওচৰ চাপিব পাৰে নাইবা এটা দেৱানী মোকৰ্দমাও ৰুজু কৰিব পাৰে। এই কাম আপুনি একেলগে দুয়ো ঠাইতে কৰিব পাৰে।

**হাজৰিকা ঃ** ৰহমান চাহাব, কোম্পানীটোত ধন বিনিয়োগ কৰাৰ আগতে যদি মই আপোনাৰ পৰামৰ্শ ললোঁহেঁতেন ! এইটো মোৰেই ভুল। ভৱিষ্যতে আৰু কি কি বিষয়ত ধন বিনিয়োগ কৰিলে সাৱধান হ'ব লাগিব, অনুগ্ৰহ কৰি ক'ব নেকি ?

## ৰচিদ ল'ব আৰু কোম্পানীৰ বিশ্বাসযোগ্যতা সম্পৰ্কে বিতংকৈ জানি ল'ব

**ৰহমান ঃ** বাৰু শুনক, প্ৰথমতে, সদায় কোম্পানীটোৰ আঁতি-গুৰি আদি জানি ল'ব। যেতিয়া কোনো অনা বেঙ্কিং বিত্তীয় কোম্পানীত ধন বিনিয়োগ কৰিবলৈ বিচাৰিব, তেতিয়া কোম্পানীটো পঞ্জীয়নভুক্ত হয়নে নহয়, কিমান পৰিমাণৰ ধন তেওঁলোকে জমা ল'ব পাৰে, অনুপালন (Compliance) বিষয়াৰ ঠিকনা আদিৰ বিষয়ে বিতং তথ্য সংগ্ৰহ কৰি ল'ব। ধন জমা কৰাৰ আগতে আবেদন প্ৰ-পত্ৰখন ভালদৰে পঢ়ি ল'ব, ৰচিদ ল'ব আৰু ৰচিদত কোম্পানীটোৰ ভাৰতীয় ৰিজাৰ্ভ বেঙ্কৰ পঞ্জীয়নৰ সৈতে থকা স্থিতি, সুদৰ হাৰ, জমাধনৰ ম্যাদপূৰ্ণ তাৰিখ ইত্যাদিৰ বিষয়ে জানি ল'ব। অন্যান্য আনুষংগিক তথ্যাদি ৰচিদৰ ওলোটা ফালে লিখা থাকে, সেইখিনিও ধন জমা দিয়াৰ আগেয়ে ভালদৰে পঢ়ি ল'ব লাগে। কিছুমান কোম্পানীয়ে ' ঋণ-পত্ৰ ' জাৰী কৰাৰ উদ্দেশ্যে ধন জমা লয়। অধিক তথ্যৰ বাবে আপুনি ভাৰতীয় ৰিজাৰ্ভ বেঙ্কৰ ৱে'ব্-ছাইটত (http://www.rbi.org.in) থকা FAQ শিতানত এই বিষয়ে জানিব পাৰিব।

**হাজৰিকা ঃ** কিন্তু, ৰহমান ভাই, যদি মই একেলগে ইমানবোৰ প্ৰশ্ন সুধিবলৈ লওঁ, তেওঁলোকে কেতিয়াও ধন জমা নলয় !

**ৰহমান ঃ** নহয় হাজৰিকা, যি কোনো ভাল কোম্পানীয়ে জমাকৰ্ত্তাক এই বিষয়ে বিতং তথ্যাদি দিয়ে। যি মূহুৰ্তত আপোনাৰ সন্দেহ ওপজে যে কোম্পানীটোৱে তথ্য দিয়াত কিছু হোঁহকা -পিছলা কৰিছে, আপুনি তেতিয়াই সাৱধান হোৱা উচিত।

**হাজৰিকা ঃ** ঋণ-পত্ৰ (debentures) কি ?

**ৰহমান ঃ** ঋণ-পত্ৰ হৈছে দীৰ্ঘ-কালীন এক ঋণ লোৱা পদ্ধতি যাক কোম্পানীবিলাকে জাৰী কৰিব পাৰে। কোম্পানীয়ে এটা ৰাশি ম্যাদ-পূৰ্ণ হোৱাৰ পিচত অৰ্থাৎ নিৰ্দ্দিষ্ট হাৰৰ সুদ বিনিয়োগকাৰীক দিব পাৰে নাইবা বজাৰ দৰৰ লগত সংগতি থকা প্ৰৱাহিত হাৰৰ (floating rate) সুদ দিব পাৰে।

**হাজৰিকা ঃ** এইবোৰ জমা ধনৰ দৰে নে?

**ৰহমান ঃ** নহয়, এই বিলাক জমাৰ শাৰীত নপৰে। ঋণ-পত্ৰ 'সুৰক্ষিত' (secured) হৈ থাকিব পাৰে, মানে কোম্পানীয়ে এটা নিৰ্দ্দিষ্ট পৰিমাণৰ সম্পত্তিৰ ৰাজহুৱা ঋণ-পত্ৰৰ পাওনাৰ বিপৰীতে এটা অংশ আঁছুতীয়াকৈ নামাংকিত কৰি ৰাখে। অন্যথাই ই অ-সুৰক্ষিত শ্ৰেণীৰ ভিতৰত পৰে।

**হাজৰিকা ঃ** বেলেগ বেলেগ কোম্পানীত পৃথক পৃথক ৰূপত ধন জমা ৰখাটো সুৰক্ষিত নে? কিমান যে বেলেগ বেলেগ নিয়ন্ত্ৰক আছে!

**কেতিয়াও সকলো বিনিয়োগ একেটা কোম্পানীত নকৰিব**

**ৰহমান ঃ** হাজৰিকা বন্ধু ! আইনৰ দ্বাৰা বেলেগ বেলেগ নিয়ন্ত্ৰকক ভিন ভিন ভূমিকা পালন কৰিবলৈ কোৱা হৈছে। সাধাৰণতে ৰাইজক এই বিষয়ে জ্ঞান দিবলৈ প্ৰয়াস কৰা হয়। আপোনাকো কওঁ, আপুনি যেন কেতিয়াও সমুদায় ধন একে ঠাইতে বিনিয়োগ নকৰে।

**হাজৰিকা ঃ** আপুনি কি কৈছে মই এতিয়া বুজিছোঁ। মই সাৱধানতাৰে কাম কৰা উচিত আছিল। মই এতিয়া যাওঁ আৰু পুলিচ থানাত গোচৰ তৰোঁগৈ। আপোনাক বহুত ধন্যবাদ।

(দুমাহৰ পিছত ..................)

**হাজৰিকা ঃ** ৰহমান চাহাব, মই আপোনাক এটা ভাল খবৰ দিবলৈ আহিছোঁ। আপুনি দিয়া পৰামৰ্শ অনুসৰি মই পুলিচ থানা আৰু গ্ৰাহক সুৰক্ষা সংস্থাত অভিযোগ দাখিল কৰিলোঁ। অপৰাধীক আৰক্ষীয়ে বিচাৰি গ্ৰেপ্তাৰ কৰিলে আৰু তেওঁৰ বিৰুদ্ধে মোকৰ্দমা ৰুজু কৰা হৈছে। সেই ভুৱা কোম্পানীটোৰ মিছা প্ৰতিশ্ৰুতিৰ কবলত পৰা ময়েই একমাত্ৰ ব্যক্তি নাছিলো, আমি সকলো বিনিয়োগকাৰী লগ গৈ আৰক্ষীৰ ওচৰত হেচাঁ প্ৰয়োগ কৰিলো আৰু আৰক্ষীয়ে এতিয়া তেওঁলোকৰ সম্পত্তি বাজেয়াপ্ত কৰিছে যাতে আমি আমাৰ ধন ওভতাই পাব পাৰো।

**ৰহমান ঃ** মোৰ আপোনালৈ শুভেচ্ছা থাকিল। আশা কৰোঁ এতিয়া আৰু আপোনালোকে ধন বিনিয়োগ কৰোঁতে আগলৈ অধিক সাৱধান হ'ব।

**হাজৰিকা ঃ** হয়, নিশ্চয় হ'ম। অকল সেইটোৱেই নহয়, মই ওচৰ-চুবুৰীয়া সকলকো সুযোগ পালেই এই বিষয়ে জনাবলৈ চেষ্টা কৰি আহিছোঁ।

*স্বত্বত্যাগ ঃ এই কাহিনীৰ সকলো চৰিত্ৰ আৰু ঘটনা সম্পূৰ্ণ কাল্পনিক। কোনো ব্যক্তি বিশেষ অথবা ঘটনাৰ লগত সামঞ্জস্য থাকিলে সেয়া একমাত্ৰ কাকতালীয়হে হ'ব।*

সৰ্বসাধাৰণ ৰাইজৰ মাজত অনা বেঙ্কিং বিত্তীয় কোম্পানীসমূহত (এন বি এফ চি) কৰা বিনিয়োগ সম্বন্ধে সজাগতা বৃদ্ধি কৰিবলৈ এই পুস্তিকাখনি চেন্নাই-স্থিত ভাৰতীয় ৰিজাৰ্ভ বেঙ্কৰ প্ৰধান প্ৰশিক্ষণ প্ৰতিষ্ঠান *ৰিজাৰ্ভ বেঙ্ক ষ্টাফ মহাবিদ্যালয়*ৰদ্বাৰা প্ৰকাশ কৰা হৈছে। অসমীয়া অনুবাদ কৰিছে - ভাৰতীয় ৰিজাৰ্ভ বেঙ্ক, গুৱাহাটী কাৰ্যালয়ৰ হৈ *শ্ৰীঅৰুণ তালুকদাৰে।*